অসম জাতীয় বিদ্যালয়
Assam Jatiya Bidyalay
নুনমাটি, গুৱাহাটী-৭৮১০২০
Noonmati, Guwahati - 781020
কর্ম মোৰ সংস্কৃতি
☏: 0361-2557921 (Principal)
0361-2654229 (Office)
e-mail:assamjatiyabidyalay@gmail.com
website:www.assamjatiyabidyalay.com

প্ৰসংগ : অজাবি/০০৯/২৮/২০২২-২৩
*Ref :*

তাৰিখ : ৩০-১১-২০২২
*Date :*

# অসম জাতীয় বিদ্যালয়ত 'দাপোণ' শীৰ্ষক চিত্ৰ প্ৰদৰ্শনীৰ সামৰণি

**নুনমাটি, গুৱাহাটী, ৩০ নৱেম্বৰ ঃ** অসম জাতীয় বিদ্যালয়ত যোৱা ২৫ নৱেম্বৰৰ পৰা অনুষ্ঠিত 'দাপোণ' শীৰ্ষক চিত্ৰ প্ৰদৰ্শনীৰ কালি সামৰণি পৰে। এই প্ৰদৰ্শনীখনত বিদ্যালয়ৰ প্ৰথম শ্ৰেণীৰ পৰা দ্বাদশ শ্ৰেণীৰ মুঠ ২১১ গৰাকী শিক্ষাৰ্থীৰ ছবি আৰু ভাস্কৰ্য্য প্ৰদৰ্শিত হৈছিল। ২৫ নৱেম্বৰৰ পুৱা বিশিষ্ট চিত্ৰশিল্পী চম্পক বৰবৰাই এই প্ৰদৰ্শনীখন উদ্বোধন কৰে। প্ৰদৰ্শনীখন উদ্বোধন কৰি চিত্ৰশিল্পীগৰাকীয়ে বিদ্যালয়খনৰ শিক্ষাৰ্থীৰ শৈল্পিক প্ৰতিভাই তেওঁক মুগ্ধ কৰা বুলি মন্তব্য কৰে। এই প্ৰদৰ্শনীখনৰ সামগ্ৰিক দায়িত্বত আছিল বিদ্যালয়ৰ সুকুমাৰ কলা বিভাগৰ শিক্ষক কুঞ্জৰ দাস, কন্দৰ্প শৰ্মা আৰু পূৰবী ৰাণী বড়া। উল্লেখযোগ্য যে বিদ্যালয়খনত প্ৰতি দুবছৰৰ মূৰে মূৰে এই চিত্ৰ প্ৰদৰ্শনীখন অনুষ্ঠিত কৰি অহা হৈছে।

(ঘনশ্যাম মেধি)
অধ্যক্ষ
অসম জাতীয় বিদ্যালয়